# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-10-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - - -**

১। শাৰদীয় দুৰ্গোৎসৱৰ আজি ষষ্ঠী। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কামৰূপ মহানগৰ জিলাৰ কেইবাখনো পূজাৰ কাৰ্যসূচীত অংশগ্ৰহণ। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰো তিনিচুকীয়াৰ পূজাত দেৱীৰ আশিস গ্ৰহণ।

২। কেন্দ্ৰীয় আয়ুৰ্বেদ গৱেষণা প্ৰতিষ্ঠানত উন্নত চিকিৎসা সুবিধা প্ৰদানৰ দ্বাৰা আয়ুষ চিকিৎসা বিকশিত কৰাৰ ব্যৱস্থা লোৱা হৈছে বুলি প্ৰতিষ্ঠানটোৰ সঞ্চালকৰ গুৱাহাটীত মন্তব্য।

৩। ডেভিদ বেকাৰ, দেমিজ হাচাবীজ আৰু জন জাম্পাৰলৈ ২০২৪ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা।

৪। ভাৰতৰ বিৰুদ্ধে তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ আজি নতুন দিল্লীত হ'বলগীয়া দ্বিতীয়খন খেলত টছত জিকি বাংলাদেশৰ ফিল্ডিঙৰ সিদ্ধান্ত। **আৰু**

৫। হিমাচল প্ৰদেশত অনুষ্ঠিত ৰাষ্ট্ৰীয় ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ সিদ্ধান্ত গগৈৰ সোণ, অভিনৱ গগৈৰ ৰূপ আৰু ইছাংফা গগৈৰ ব্ৰঞ্জৰ পদক অৰ্জন।

ooooo

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ যথাবিহিত ৰীতি-নীতিৰে আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পূজা মণ্ডপসমূহ ভিন ভিন বিষয় লৈ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। ইপিনে, ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা চলি আছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শাৰদীয় দুৰ্গা পূজা উপলক্ষে অসমৰ জনসাধাৰণক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে দুৰ্গা পূজা উদযাপনে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় সাব্যস্ত কৰাৰ কথাকে প্ৰতীয়মান কৰে। ৰাজ্যপালগৰাকীয়ে পৰিৱেশৰ হানি নকৰাকৈ সকলো লোককে পূজাৰ আনন্দ উপভোগ কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুৰ্গোৎসৱ উপলক্ষে দিয়া বাৰ্তাত কয় যে বৈদিক যুগৰে পৰা প্ৰচলিত দুৰ্গা পূজাই মূল্যবোধ তথা মানৱতাবোধৰ আঁধাৰত আগুৱাই যাবলৈ সকলোকে অনুপ্ৰাণিত কৰে। অপশক্তি নাশৰ দ্বাৰা শক্তিৰূপা দুৰ্গতিনাশিনী দেৱীয়ে শুভ শক্তিক প্ৰতিষ্ঠা কৰাটোৰে প্ৰতীকিভাৱে অসত্যৰ বিপৰীতে সত্যৰ জয় সুনিশ্চিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। ড° শৰ্মাই আজি **কামৰূপ মহানগৰ** জিলাৰ বিভিন্ন পূজা মণ্ডপত উপস্থিত হৈ পূজাৰ কাৰ্যসূচীত অংশ লয়। তেওঁ আজাৰা, কাঁহিকুছি আৰু পাটগাঁৱৰ দুৰ্গাপূজাথলীত উপস্থিত হয়।

ইপিনে, **গুৱাহাটী** মহানগৰীৰ চাৰি শতাধিক পূজাথলীত শাৰদীয় পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। আজি ষষ্ঠী পূজাৰ দিনাই পূজাথলীসমূহত বহুলোকৰ সমাগম হৈছে। ইপিনে, ৰাজ্যৰ অন্যান্য জিলাসমূহতো দুৰ্গা পূজা উপলক্ষে ব্যাপক আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীত পূজাৰ আয়োজন সন্দৰ্ভত আমাৰ কামৰূপ মহানগৰ জিলাৰ সংবাদদাতা হেমন্ত বৰাৰ এক প্ৰতিবেদন –

**(ভইচ)**

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি **তিনিচুকীয়া** জিলাৰ চলিহা বৰদলৈ নগৰত দুৰ্গা পূজা থলীত উপস্থিত হোৱাৰ লগতে জিলাখনৰ দাহাল বাবা মন্দিৰ দৰ্শন কৰি সেৱা আগবঢ়ায়। তেওঁ জিলাখনৰ মানৱ কল্যাণ পূজা ভৱনত ৰাইজৰ সৈতে মত বিনিময় কৰে। ইপিনে, জিলাখনত তিনি শতাধিক দুৰ্গা পূজা শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। এইবাৰ প্ৰশাসনে পথ, যাতায়াত বন্ধ কৰি পূজা আয়োজনৰ অনুমতি দিয়া নাই। জিলাখনত পূজাৰ সময়ছোৱাত কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নোহোৱাটো নিশ্চিত কৰিবলৈ এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। যিকোনোধৰণৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ সঁহাৰি দিয়াৰ বাবে দুটা ফোন নম্বৰসহ এই কক্ষ স্থাপন কৰা হৈছে। জিলাখনত পূজাৰ আয়োজন সম্পৰ্কত এয়া আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণ –

**(ভইচ)**

**চৰাইদেউ** জিলাত দুৰ্গা পূজাক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। জিলাখনৰ সোণাৰি নগৰ আৰু দাঁতিকাষৰীয়া অঞ্চলত মুঠ ১০৩ খন পূজা অনুষ্ঠিত হৈছে। বিভিন্ন স্থানত নিৰ্মাণ কৰা দৃষ্টিনন্দন মণ্ডপসমূহে সকলোকে আকৰ্ষিত কৰিছে। **বজালী** জিলাৰ বিভিন্ন অঞ্চলৰ লগতে গড় বজাৰত পাঁচদিনীয়া কাৰ্যসূচীৰে পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ কাৰ্যসূচীৰ অংশ হিচাপে দিহানাম প্ৰতিযোগিতা নৃত্যানুষ্ঠান আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **বাক্সা** জিলাৰ চাপাগুৰি আৰু ককলাবাৰী মৌজাক সামৰি স্থাপিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকুঁজিদেওৰ দেৱালয়ত আজিৰেপৰা শাৰদীয় পূজা অনুষ্ঠিত হৈছে। আজি পুৱা স্বচ্ছতা অভিযান, মুখ্য দ্বাৰ উদ্‌ঘাটন, পতাকা উত্তোলন আৰু গছপুলি ৰোপণ কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ শাৰদীয় পূজা উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। এইবেলি জিলাখনত ১৩৬ খন পূজা মণ্ডপত পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ ৰংজুলি পূজা সমিতিয়ে বিজয়া দশমীৰ দিনা পূৰ্বৰ দৰে ৰাৱণ বধৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

০০০০০

আয়ুষ মন্ত্ৰালয়ে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ প্ৰথম এশটা দিনত বয়োজ্যেষ্ঠ লোকসকলৰ চিকিৎসাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তত ১৪ হাজাৰ স্বাস্থ্য শিবিৰ মুকলি কৰিছে। গুৱাহাটীত থকা কেন্দ্ৰীয় আয়ুৰ্বেদ গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ডাঃ দীনেশ বৰুৱাই আজি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে মন্ত্ৰালয়ে বিভিন্ন ৰোগত আক্ৰান্তসকলৰ জীৱন ধাৰণ সুচল কৰিব পৰাকৈ ভালেমান পদক্ষেপ লৈছে। গুৱাহাটীত থকা কেন্দ্ৰীয় আয়ুৰ্বেদ গৱেষণা প্ৰতিষ্ঠানত নিত্য নতুন চিকিৎসা সুবিধা প্ৰদানৰ দ্বাৰা আয়ুষ চিকিৎসা ব্যৱস্থা উন্নত ৰূপত বিকশিত কৰাৰ ব্যৱস্থা লোৱা হৈছে। এই প্ৰতিষ্ঠানটোত উত্তৰ-পূবৰ প্ৰথমটো পঞ্চকৰ্ম চিকিৎসা কেন্দ্ৰ স্থাপন কৰাৰ বিষয়েও তেওঁ উল্লেখ কৰে। তেতিয়াৰ আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কেন্দ্ৰটো উদ্বোধন কৰিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে কেন্দ্ৰটোত ৪ হাজাৰ ৫০০ৰো অধিক ৰোগীয়ে পঞ্চকৰ্ম চিকিৎসা ব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি কিশোৰীসকলৰ ৰক্তহীনতাৰ সমস্যা দূৰ কৰাৰ বাবে বিশেষ অভিযান ৰূপায়ণ কৰাৰ বিষয়েও তেওঁ উল্লেখ কৰে। আজিৰ সংবাদমেলত অসমৰ আয়ুষ

সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক শশী সোণোৱাল, চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ প্ৰণৱজ্যোতি বৈশ্যও উপস্থিত থাকে।

০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ সময়ত পথ দুৰ্ঘটনা ৰোধৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগৰ উদ্যোগত ৭ৰ পৰা ১৩ অক্টোবৰলৈ পথ সুৰক্ষা সপ্তাহ পালন কৰা হৈছে। কোকৰাঝাৰ জিলা প্ৰশাসনে দুৰ্ঘটনামুক্ত দুৰ্গা পূজা উদযাপন কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জিলা আয়ুক্তৰ সভাপতিত্বত আজি কোকৰাঝাৰত অনুষ্ঠিত জিলা পথ সুৰক্ষা সমিতিৰ বিশেষ বৈঠকত এই বিষয়ে আলোচনা কৰা হয়। পূজাৰ সময়ছোৱাত পথ দুৰ্ঘটনা ৰোধৰ বাবে ল'বলগীয়া সাৱধানতা সন্দৰ্ভত ৰাইজক সজাগ কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বিষয়ে সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলাখনত মটৰ চাইকেল আৰোহীৰ বাবে হেলমেট বাধ্যতামূলক কৰা আৰু পূজা মণ্ডপত পথ সুৰক্ষা সন্দৰ্ভত ফলক আঁৰাৰ বিষয়টো সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

ইপিনে ধুবুৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি অনুষ্ঠিত হয়। এই বৈঠকত জিলা আয়ুক্তগৰাকীয়ে পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰাৰ বাবে প্ৰয়োজনীয় বিভিন্ন পদক্ষেপৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। সভাখনত উপস্থিত থকা জিলা প্ৰশাসনৰ বিষয়াসকলে ই-ৰিক্সাৰ অতিমাত্ৰা সংখ্যাই জিলাখনৰ যাতায়াত ব্যৱস্থাত নেতিবাচক প্ৰভাৱ পেলাইছে বুলি উল্লেখ কৰে। এই বিষয়ে শীঘ্ৰেই কিছু পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন বুলি বিষয়াসকলে মত পোষণ কৰে। আনহাতে পূজাৰ সময়ছোৱাত সকলো সংশ্লিষ্ট বিভাগ, আৰক্ষীক তৎপৰ হৈ থাকিবলৈ জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়।

পথ সুৰক্ষা সপ্তাহৰ সৈতে সংগতি ৰাখি কামৰূপ মহানগৰ জিলাৰ পাণ্ডু ৰেষ্ট কেম্প পূজাস্থলিত পৰিবহণ বিভাগে আজি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। পথ সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে বাটৰ নাট আৰু মুকাভিনয় পৰিৱেশন কৰা হয়।

০০০০০

ৰয়েল ছুইডিজ একাডেমী অৱ ছায়েন্সে আজি ২০২৪ বৰ্ষৰ বাবে ৰসায়ন বিজ্ঞানৰ নবেল বঁটা ঘোষণা কৰে। প্ৰ'টিনৰ গাঁথনিৰ পূৰ্বানুমান আৰু বিকাশৰ ক্ষেত্ৰত লাভ কৰা উল্লেখযোগ্য সাফল্যৰ বাবে তিনিগৰাকী বিজ্ঞানী ডেভিদ বেকাৰ, ডেমিজ হাচাবীজ আৰু জন জাম্পাৰলৈ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হয়।

০০০০০

অসম ডাক পৰিমণ্ডলে ডাক সেৱা, জন সেৱা শীৰ্ষক বিষয়বস্তুৰে ৰাষ্ট্ৰীয় ডাক সপ্তাহ পালন কৰিছে। অহা ১১ অক্টোবৰলৈ চলিবলগীয়া ডাক সপ্তাহ সন্দৰ্ভত অসম পৰিমণ্ডলৰ ডাক সেৱাৰ সঞ্চালক অভিষেক জৈনে কয় যে ডাক সপ্তাহৰ সৈতে সংগতি ৰাখি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই অনুসৰি আজি বিশ্ব ডাক দিৱস, কাইলৈ অন্ত্যোদয়া দিৱস আৰু পৰহিলৈ বিত্ত সবলীকৰণ দিৱস উদযাপন কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় স্তৰত ডাক আদান-প্ৰদান কৰা ব্যৱস্থাক পৰিচালনা কৰা সাৰ্বজনীন ডাক সংঘৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাটো ৰাষ্ট্ৰীয় ডাক সপ্তাহৰ অন্যতম দিশ বুলি উল্লেখ কৰি সঞ্চালকগৰাকীয়ে অসমৰ জনসাধাৰণক ডাক ঘৰৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে ডাক বিভাগে চিঠি-পত্ৰ, সামগ্ৰী আদান-প্ৰদানৰ উপৰি একাউণ্ট মুকলি কৰা, বীমা, আধাৰ কাৰ্ড, পাৰপত্ৰ আদিৰ সুবিধা প্ৰদান কৰিছে।

**(বাইট - অভিষেক জৈন)**

০০০০০

মহানগৰ আৰক্ষীয়ে অপহৰণ কাণ্ডৰে জড়িত থকাৰ অভিযোগত চাৰিজন অভিযুক্তক যোৱা নিশা গোৱালপাৰা আৰু কোকৰাঝাৰ জিলাৰ বিভিন্ন স্থানত অভিযান চলাই গ্রেপ্তাৰ কৰিছে। যোৱা ২৭ ছেপ্তেম্বৰত দুজনকৈ অচিনাকী লোকে গাড়ী ভাড়া কৰাৰ চলেৰে অমিত কুমাৰ সিংহ নামৰ চালক এজনক অপহৰণ কৰি মেঘালয়ৰ পশ্চিম গাৰো পাহাৰ জিলালৈ লৈ গৈছিল। ইতিমধ্যে চালক সিংহক আৰক্ষীয়ে উদ্ধাৰ কৰে। ইয়াৰ পাছতে যোৱা নিশা অভিযান চলাই গোৱালপাৰা জিলাৰ মফিদুল হক, ৰফিকুল হুছেইন, ছাৰিফুল ইছলাম আৰু মিজানুৰ ৰহমান নামৰ অভিযুক্ত চাৰিজনক আৰক্ষীয়ে গ্রেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে অপহৰণকাৰী দলটোৱে পশ্চিম গাৰো পাহাৰ জিলাৰ জংঘলত আৱদ্ধ কৰি ৰাখি সিংহৰ পৰিয়ালক মুক্তিপণ হিচাপে এক কোটি টকা দাবী কৰিছিল।

০০০০০

গোৱালপাৰা জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে লেলা গাঁৱত ৩০ ঘন মিটাৰ বায়ু গেছ ক্ষেত্ৰত স্থাপন কৰি গাঁওখনৰ ২১টা পৰিয়ালক বিনামূলীয়াকৈ বায়ু গেছ সংযোগ কৰি দিছে। বিভিন্ন উপায়েৰে প্ৰদূষণ ৰোধ আৰু স্বচ্ছ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গোৱালপাৰা সংমণ্ডলে এই পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ জৰিয়তে গাঁওখনৰ গোটা আৱৰ্জনাৰ লগতে গৰু-ছাগলীৰ মলো নিষ্কাষণ হৈ আছে। বায়ু গেছ উৎপন্ন কৰাৰ পিছত বৈ যোৱা আৱৰ্জনাখিনি সাৰ হিচাপে খেতিত প্ৰয়োগ কৰিও স্থানীয় কৃষক উপকৃত হৈছে।

০০০০০

ৰাজহুৱা শান্তি-শৃংখলা বৰ্তাই ৰখাৰ লক্ষ্যৰে অসম আবকাৰী আইনৰ অধীনত অহা ১৩ অক্টোবৰত বিভিন্ন জিলাত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। বৰপেটা জিলাতো ২৪ ঘণ্টাৰ বাবে সুৰা নিষিদ্ধ কৰা হৈছে। ১৩ অক্টোবৰত পালন কৰিবলগীয়া শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি আৰু বিজয়া দশমীৰ বাবে এই নিৰ্দেশনা ২৪ ঘণ্টাৰ বাবে বাহাল থাকিব। এই দিনা জিলাখনৰ সকলো ধৰণৰ সুৰাৰ বিপণী, ৰেৰহাউছ আদি সম্পূৰ্ণৰূপে বন্ধ ৰাখিবলৈ নিৰ্দেশনাটোত উল্লেখ কৰিছে।

ইপিনে গোলাঘাট জিলাৰ আবকাৰী বিভাগে অবৈধ সুৰাৰ প্ৰচলন ৰোধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ কেইবাটাও স্থানত আবকাৰীৰ দলে অভিযান চলাই অবৈধ সুৰাৰ লগতে সুৰা প্ৰস্তুত কৰা সামগ্ৰী নষ্ট কৰে। অভিযানৰ সময়ছোৱাত আবকাৰী বিভাগে কেইবাজনো লোকৰ বিৰুদ্ধে ১০টা গোচৰ ৰুজু কৰিছে।

০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটো শৃংখলাত ১-০ ব্যৱধানত আগবাঢ়ি আছে। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত জয়লাভ কৰিছিল।

০০০০০

ডুবাইত আজি হ'বলগীয়া মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এ-ৰ খেলত ভাৰতীয় দলটোৱে শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

হিমাচল প্ৰদেশত অনুষ্ঠিত ৰাষ্ট্ৰীয় ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ সিদ্ধান্ত গগৈয়ে সোণৰ পদকৰ লগতে অভিনৱ গগৈয়ে ৰূপ আৰু ইছাংফা গগৈয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ছিনিয়ৰ পুৰুষৰ ৬৭ কিলোগ্ৰাম ওজন শাখাত সিদ্ধান্তই সোণৰ পদক জয় কৰে। আনহাতে যুৱ ল'ৰাৰ ৬৭ কিলোগ্ৰাম ওজন শাখাত অভিনৱে ৰূপ আৰু ছোৱালীৰ ৫৫ কিলোগ্ৰাম ওজন শাখাত ইছাংফাই ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়।

ooooo

সমাপ্ত